**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-03-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। ৰমজান মাহৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি উলহ-মালহেৰে ঈদ উদযাপন কৰিছে। সমূহীয়া নামাজৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হৈছে। তদুপৰি বাসগৃহসমূহো আটক ধুনীয়াকৈ সজাই তোলাৰ উপৰি অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হৈছে। গুৱাহাটী মহানগৰীৰ ফাঁচিবজাৰ, গণেশগুৰি, হাতীগাওঁকে ধৰি বিভিন্ন অঞ্চলৰ বজাৰসমূহত ঈদৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে কালি জনসাধাৰণে ভিৰ কৰা পৰিলক্ষিত হয়। ক্ষন্তেক পাছতে বিশ্ব শান্তিৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ ল'ব।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত ঈদ ঊল ফিটৰ উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ঈদগাহসমূহৰ লগতে জুম্মা মছজিদসমূহ সজাই-পৰাই তোলা হৈছে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিটৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। কাছাৰ আৰু শ্ৰীভূমি জিলাৰ জনসাধাৰণে ঈদ উদযাপনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। শ্ৰীভূমি জিলাত ৯ বজাত ঈদৰ নামাজৰ আয়োজন কৰা হৈছে। তদুপৰি শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কাছাৰ জিলাতো উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিটৰ উদযাপন কৰিবলৈ লোৱা হৈছে।

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই ঈদ-ঊল-ফিটৰ উপলক্ষে  অসমৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে বিশ্বাস, কৃতজ্ঞতা আৰু আধ্যাত্মিক পৰিপূৰ্ণতাক প্ৰতিফলিত কৰা এই উৎসৱে জনসাধাৰণৰ মাজত আত্ম-অনুশাসন আৰু নিষ্ঠাৰ মনোভাৱ জাগ্ৰত কৰে বুলি তেওঁ উল্লেখ কৰে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচলৰ সিদ্ধান্ত লৈছে। ৰে'লসমূহ অহা ১০ এপ্ৰিলৰ পৰা ৪ মে'লৈকে ছত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ আৰু নাৰেংগী ষ্টেছনৰ মাজত আৰু ৬ ৰ পৰা ২৯ এপ্ৰিললৈ কোলহাপুৰ আৰু কাটিহাৰৰ মাজত প্ৰতিটো দিশত ৪ টা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ'ব। ০১০৬৫ নম্বৰৰ বিশেষ ৰে'লখন ১০ এপ্ৰিলৰ দিনৰ ১১ বাজি ৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ পৰা যাত্ৰা কৰি ১২ এপ্ৰিলৰ দিনৰ ১১ বজাত নাৰেঙ্গীত উপস্থিত  হ'ব।

একেদৰে ০১০৬৬ নম্বৰৰ ৰে'লখন ১৩ এপ্ৰিলৰ পুৱা ৫ বাজি ২৫ মিনিটত নাৰেঙ্গীৰ পৰা যাত্ৰা কৰি ১৫ এপ্ৰিলৰ পুৱা ৮ বাজি ২৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছত উপস্থিত হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন কাইলৈৰ পৰা প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কালি এই কথা প্ৰকাশ কৰিছে। চৰকাৰৰ প্ৰতিবেদন অনুসৰি ডিব্ৰুগড় জিলাৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গৃহ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্যখনৰ চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাক অশান্ত অঞ্চল ঘোষণা কৰি সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন আজি পৰ্যন্ত বলবৎ আছে। নতুন নিৰ্দেশ অনুসৰি কাইলৈৰ পৰা তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাত পৰৱৰ্তী ছমাহৰ বাবে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন বলবৎ থাকিব।

একেদৰে মণিপুৰৰ ১৩ খন আৰক্ষী থানা এলেকা বাদ দি সমগ্ৰ ৰাজ্যখনত পৰৱৰ্তী ছমাহৰ বাবে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন বলৱৎ ৰখাৰ বাবে গৃহমন্ত্ৰ্যালয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডতো এই সময়ছোৱাত আইনখন বলৱৎ কৰাৰ কথা গৃহমন্ত্ৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে।

০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট শিল্পী উপেন বৰা বৰগায়নৰ উদ্যোগত তথা মাজুলী মহাবিদ্যালয়ৰ সহযোগত কালি এটা ধ্ৰুপদী সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। মাজুলী মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানটো উদ্বোধন কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সংগীতৰ সাধনাই মানুহৰ মানসিক উৎকৰ্ষ সাধন কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানটোত প্ৰথিতযশা সংগীত শিল্পী প্ৰদ্যুৎ মিশ্ৰ, দীপেন শৰ্মা আৰু ঋষিকেশ শৰ্মাই অংশগ্ৰহণ কৰে।

০০০০০

বিশ্বনাথত আজি ৰাজ্য চৰকাৰৰ বহুমুখী বিকাশৰ অংশ স্বৰূপে বিভিন্ন অভিলাষী প্ৰকল্পৰ আধাৰশিলা আৰু উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত ১৩ কোটি টকা ব্যয় সাপেক্ষ আৱৰ্ত ভৱন, ৪ কোটি টকা ব্যয় সাপেক্ষ মুখ্য কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়, এক কোটি টকা ব্যয় সাপেক্ষ জনজাতীয় জিৰণি ভৱন আৰু এক কোটি টকাৰ সহকাৰী আয়ুক্তৰ আবাসৰ শুভ উদ্বোধন কৰা হ'ব।

০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি কাইলৈৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোৰিড কালত বিভিন্ন অনুষ্ঠানৰ সময়

পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

০০০০০

সমাপ্ত